# REGIONAL NEWS UNIT

AKASHVANI, GUWAHATI

0000000000

**Date : 23-03-2026** **Time : 1845 Hrs**

***Assamese Evening Bulletin***

***Headlines***

**----------------------------**

০০০০০০০

১। বিধানসভা নিৰ্বাচনৰ বাবে আজি মনোনয়ন দাখিল প্ৰক্ৰিয়াৰ সামৰণি। শাসক-বিৰোধী দলৰ কেইবাগৰাকীও প্ৰাৰ্থীৰ মনোনয়ন দাখিল।

২। অৱসৰপ্ৰাপ্ত আই এ এছ বিষয়া মনজিত সিঙক বিধানসভা নিৰ্বাচনৰ বিশেষ পৰ্যবেক্ষক হিচাপে নিযুক্তি। ৰাজ্যৰ নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৯ এপ্ৰিলত বন্ধ ঘোষণা।

৩। জাগুনৰ অসম আৰক্ষীৰ কামাণ্ডো শিবিৰত আক্ৰমণৰ ঘটনাৰ বুজ ল'বলৈ অসম আৰক্ষীৰ সঞ্চালক প্ৰধান হৰমিত সিঙৰ ঘটনাস্থলী পৰিদৰ্শন।

৪। পাকিস্তানক গোপন তথ্য যোগান ধৰাৰ অভিযোগত চাবুৱা সেনা ছাউনীৰ এজন কৰ্মচাৰীক গ্ৰেপ্তাৰ।

আৰু

৫। কামৰূপ মহানগৰ জিলাত আবকাৰী বিভাগৰ বুজন পৰিমাণৰ অবৈধ সুৰা জব্দ।

০০০০০০০

বিধানসভা নিৰ্বাচনৰ বাবে আজি মনোনয়ন দাখিলৰ সামৰণি পৰিছে। বিভিন্ন জিলাত ৰাজনৈতিক দলৰ প্ৰাৰ্থীসকলে আজি জিলা নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ত মনোনয়ন পত্ৰ দাখিল কৰে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি নগাঁৱত মিত্ৰদল অসম গণ পৰিষদৰ কলিয়াবৰ সমষ্টিৰ প্ৰাৰ্থী কেশৱ মহন্তৰ মনোনয়ন সমাৰেশত অংশগ্ৰহণ কৰে।

মুখ্যমন্ত্ৰীয়ে বোকাখাত সমষ্টিৰ বাবে অগপৰ প্ৰাৰ্থী অতুল বৰাৰ মনোনয়নৰ সময়ত উপস্থিত থাকে। সাংবাদিকৰ আগত ড০ শৰ্মাই এইদৰে কয়-

বাইট (চি এম)

বিশ্বনাথ জিলাত আজি বিশ্বনাথৰ বিজেপি প্ৰাৰ্থী পল্লৱ লোচন দাস আৰু গহপুৰৰ প্ৰাৰ্থী উৎপল বৰাৰ মনোনয়ন দাখিলৰ সময়ত দলৰ ৰাষ্ট্ৰীয় উপ-সভাপতি তথা সাংসদ বৈজয়ন্ত পাণ্ডা উপস্থিত থাকে।

প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে আজি যোৰহাটত মনোনয়ন পত্ৰ দাখিল কৰে। অখিল গগৈ আৰু লুৰিণজ্যোতি গগৈয়ে তেওঁক সংগ দিয়ে। মনোনয়ন দাখিলৰ পাছত শ্ৰীগগৈয়ে এইদৰে কয়-

বাইট (গৌৰৱ গগৈ)

কামৰূপ মহানগৰ জিলাৰ ৫ টা বিধানসভা সমষ্টিৰ বাবে আজি বিভিন্ন ৰাজনৈতিক দলৰ প্ৰাৰ্থীসকলে মনোনয়ন দাখিল কৰে। বিজেপিৰ দিছপুৰ সমষ্টিৰ প্ৰাৰ্থী প্ৰদ্যুৎ বৰদলৈ, মধ্য গুৱাহাটীৰ প্ৰাৰ্থী বিজয় গুপ্তা, নিউ গুৱাহাটীৰ প্ৰাৰ্থী দিপ্লু ৰঞ্জন শৰ্মা আৰু মিত্ৰদল এ জি পিৰ ডিমৰীয়া সমষ্টিৰ প্ৰাৰ্থী ড° তপন দাসে আজি মনোনয়ন পত্ৰ দাখিল কৰে। ইপিনে, দিছপুৰ সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী মীৰা বৰঠাকুৰ, নিউ গুৱাহাটীৰ প্ৰাৰ্থী শান্তনু বৰা, ডিমৰীয়াৰ প্ৰাৰ্থী কিশোৰ কুমাৰ বৰুৱা, জালুকবাৰীৰ প্ৰাৰ্থী বিদিশা নেওগ তথা এ জে পিৰ মধ্য গুৱাহাটীৰ প্ৰাৰ্থী কুংকী চৌধুৰীয়ে মনোনয়ন দাখিল কৰে।

কামৰূপ জিলাত বকো-ছয়গাঁও সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী ৰমেন সিং ৰাভা, কমলপুৰ সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী সত্যব্ৰত কলিতা, হাজো-শুৱালকুছিৰ অসম গণ পৰিষদৰ প্ৰাৰ্থী প্ৰকাশ দাস, ছমৰীয়া সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী ৰেকিবুদ্দিন আহমেদ, কমলপুৰ সমষ্টিৰ প্ৰাৰ্থী দিগন্ত কলিতা, পলাশ বাৰী সমষ্টিৰ বিজেপি প্ৰাৰ্থী হিমাংশু শেখৰ বৈশ্য, শুৱালকুছিৰ কংগ্ৰেছ প্ৰাৰ্থী নন্দিতা দাস, পলাশবাৰী সমষ্টিৰ অসম গণ পৰিষদৰ প্ৰাৰ্থী পংকজ লোচন গোস্বামী, ৰঙিয়াৰ কংগ্ৰেছ প্ৰাৰ্থী প্ৰাণজিৎ চৌধুৰী আৰু বিজেপিৰ বকো-ছয়গাঁও সমষ্টিৰ প্ৰাৰ্থী ৰাজু মেচে আজি মনোনয়ন দাখিল কৰে।

মৰিগাঁও জিলাত আজি তিনিটা বিধানসভা সমষ্টিৰ বাবে ১০গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰে। ইয়াৰ ফলত জিলাখনত আজি অন্তিম দিনালৈ ১৩গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিলে। চিৰাং জিলাৰ কাজলগাঁৱত আজি বিজেপি প্ৰাৰ্থী অৰূপ কুমাৰ দে আৰু কোকৰাঝাৰৰ দোতমা সমষ্টিৰ বাবে বি পি এফৰ ৰবিৰাম নাৰ্জাৰীয়ে মনোনয়ন দাখিল কৰে। কোকৰাঝাৰ সমষ্টিৰ বাবে ছেউলী মহিলাৰীয়ে মনোনয়ন দাখিল কৰিছে। লখিমপুৰ জিলাৰ পাঁচটা বিধানসভা সমষ্টিৰ বাবে আজি বিজেপি, কংগ্ৰেছ, অসম গণ পৰিষদ আৰু অন্য দজলৰ প্ৰাৰ্থীসকলে মনোনয়ন পত্ৰ দাখিল কৰে। তামুলপুৰ জিলাৰ তামুলপুৰ সমষ্টিত আজি সাতগৰাকী আৰু গোৰেশ্বৰ সমষ্টিত ১৩গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছে। দক্ষিণ শালমাৰা মানকাচৰত আজি কংগ্ৰেছ, অসম গণ পৰিষদ আৰু এন পি পিৰ সাতগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰে। চৰাইদেউ জিলাৰ সোণাৰি আৰু মাহমৰা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ দুয়োগৰাকী প্ৰাৰ্থীয়ে আজি মনোনয়ন দাখিল কৰে।

টিংখঙত বিজেপিৰ প্ৰাৰ্থী বিমল বৰাই, নাহৰকটীয়াত তৰংগ গগৈয়ে মনোনয়ন দাখিল কৰে। নলবাৰী জিলাৰ ৩ টা বিধানসভা সমষ্টিৰ বাবে আজি অন্তিম দিনালৈ ১৬গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছে। বৰক্ষেত্ৰীৰ বাবে বিজেপিৰ নাৰায়ণ ডেকা, নলবাৰীৰ বাবে জয়ন্ত মল্ল বৰুৱা আৰু টিহু সমষ্টিৰ বাবে চন্দ্ৰমোহন পাটোৱাৰীয়ে মনোনয়ন দিছে। একেদৰে বৰক্ষেত্ৰী সমষ্টিত কংগ্ৰেছৰ দিগন্ত বৰ্মন, নলবাৰী সমষ্টিৰ কংগ্ৰেছৰ অশোক শৰ্মা আৰু টিহু সমষ্টিত দলটোৰ ৰাতুল পাটোৱাৰীয়ে মনোনয়ৰ দাখিল কৰিছে।

ইপিনে, শিৱসাগৰ জিলাৰ ডিমৌ বিধানসভা সমষ্টিৰ বাবে সুশান্ত বৰগোঁহায়ে আৰু শিৱসাগৰ সমষ্টিৰ বাবে কুশল দুৱৰীয়ে মনোনয়ন দাখিল কৰে। পাৰ্বত্য জিলা পশ্চিম কাৰ্বি আলঙৰ দুটা বিধানসভা সমষ্টিৰ বাবে আজি ছগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰে। ৰংখাং সমষ্টিৰ বাবে বিজেপিৰ তুলিৰাম ৰংহাঙে আৰু আম্ৰি সমষ্টিৰ হৈ দলটোৰ হাবে টেৰণে মনোনয়ন দিয়ে। কংগ্ৰেছ দলৰ ৰংখাং সমষ্টিৰ প্ৰাৰ্থী আগষ্টিন ইংহি, চি পি আই এম এলৰ প্ৰতিমা ইংহিপী আৰু আম্ৰি সমষ্টিত বিৰোধী মিত্ৰজোঁটৰ প্ৰাৰ্থী বিক্ৰম হান্সে নিৰ্বাচনী বিষয়াৰ ওচৰত মনোনয়ন দাখিল কৰে।

দৰং জিলাত আজি কংগ্ৰেছ দলৰ প্ৰাৰ্থী ৰিজুমণি তালুকদাৰে মঙলদৈ সমষ্টিৰ বাবে মনোনয়ন দাখিল কৰিছে। শ্ৰীভূমি জিলাত কংগ্ৰেছ প্ৰাৰ্থী জাকাৰিয়া আহমেদে সমৰ্থকসহ গৈ মনোনয়ন পত্ৰ দাখিল কৰে। পাথাৰকান্দি সমষ্টিত বিজেপি প্ৰাৰ্থী কৃষ্ণেন্দু পালে আজি মনোনয়ন দাখিল কৰিছে। বাক্সা জিলাৰ মানাহ সমষ্টিৰ ইউ পি পি এল প্ৰাৰ্থী জৌশ্ৰাং ব্ৰহ্মই আজি জিলা নিৰ্বাচনী বিষয়াৰ ওচৰত মনোনয়ন দাখিল কৰে।

মনোনয়ন দাখিলৰ অন্তিম দিনাৰ বাবে জিলা প্ৰশাসনসমূহেও বিশেষ ব্যৱস্থা গ্ৰহণ কৰে। কামৰূপ মহানগৰ জিলা প্ৰশাসনে মনোনয়ন দাখিলৰ বাবে জিলা আয়ুক্তৰ কাৰ্যালয়লৈ যোৱা হেঙেৰাবাৰী পথত জন সমাগম তথা যানজঁটৰ সম্ভাৱনাৰ প্ৰতি লক্ষ্য ৰাখি কেতবোৰ নিৰ্দেশনা জাৰি কৰে।

উল্লেখযোগ্য যে মনোনয়ন পত্ৰসমূহ কাইলৈ পৰীক্ষা কৰা হ'ব আৰু ২৬ মাৰ্চ মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিন।

০০০০০০০

বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰৰ সাধাৰণ প্ৰশাসন বিভাগে অহা ৯ এপ্ৰিলত বন্ধ ঘোষণা কৰিছে। সেই অনুসৰি ৯ এপ্ৰিলত চৰকাৰী, বেচৰকাৰী কাৰ্যালয়, বেংক, চাহ বাগিচা উদ্যোগকে ধৰি ব্যৱসায়িক আৰু বাণিজ্যিক প্ৰতিষ্ঠানসমূহ বন্ধ থাকিব।

০০০০০০০

নিৰ্বাচন আয়োগে ভাৰতীয় প্ৰশাসনিক সেৱাৰ অৱসৰপ্ৰাপ্ত বিষয়া মনজিত সিঙক অসম বিধানসভা নিৰ্বাচনৰ বিশেষ পৰ্যবেক্ষক হিচাপে নিয়োগ কৰিছে। বিষয়াগৰাকীয়ে আজি অসমত উপস্থিত হৈছে। তেওঁ নিৰ্বাচন মুক্ত আৰু নিকাভাৱে পৰিচালনাৰ সৈতে জড়িত বিষয়সমূহ সন্দৰ্ভত বিভিন্ন ৰাজনৈতিক দলৰ প্ৰতিনিধি তথা সামাজিক সংগঠনসমূহৰ সদস্যৰ সৈতে আলোচনা কৰিব। এই সন্দৰ্ভত যিকোনো ওজৰ-আপত্তি থাকিলে সংশ্লিষ্টসকলে বিশেষ পৰ্যবেক্ষকৰ সৈতে দিনৰ ১১ বজাৰ পৰা বিয়লি ৫ বজাৰ ভিতৰত যোগাযোগ কৰিব পাৰিব।

০০০০০০০

বিধানসভা নিৰ্বাচনৰ বাবে শাসক পক্ষকে ধৰি বিৰোধী দলসমূহেও প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি জালুকবাৰী সমষ্টিত জন আশীৰ্বাদ যাত্ৰা আৰম্ভ কৰে।

একেদৰে কংগ্ৰেছ দলৰ নেতাসকলেও ৰাজ্যৰ ভিন্ন প্ৰান্তত নিৰ্বাচনী প্ৰচাৰ অব্যাহত ৰাখিছে। কংগ্ৰেছ দলৰ জ্যেষ্ঠ নেতা দেৱব্ৰত শইকীয়াই আজি নাজিৰাৰ পিয়লিফুকন পঞ্চায়তত নিৰ্বাচন উপলক্ষে দলীয় কৰ্মীসকলৰ সৈতে প্ৰচাৰ অভিযানত অংশ লয়। প্ৰচাৰৰ সময়ত তেওঁ ৰাইজৰ সৈতে মত বিনিময় কৰি তেওঁলোকৰ সমস্যা সমূহৰ বিষয়ে বুজ লয়। ৰাইজৰ দলৰ নেতা অখিল গগৈয়ে আজি শিৱসাগৰ জিলাৰ গৌৰীসাগৰ ব্লক কংগ্ৰেছৰ বিষয়ববীয়া আৰু কৰ্মীসকলৰ সৈতে ৰাজনৈতিক পৰ্যালোচনাত মিলিত হয়।

০০০০০০০

তিনিচুকীয়া জিলাৰ জাগুনৰ অসম আৰক্ষীৰ শিবিৰত কালি পুৱতি নিশা হোৱা আক্ৰমণৰ ঘটনাৰ বুজ ল'বলৈ অসম আৰক্ষীৰ সঞ্চালক প্ৰধান হৰমিত সিং আজি ঘটনাস্থলীত উপস্থিত হয়। শ্ৰীসিঙে এই ঘটনাৰ গৰিহণা দিয়াৰ লগতে এই ক্ষেত্ৰত বিহিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি উল্লেখ কৰে।

বাইট (ডি জি পি)

শ্ৰীসিঙে আজি তিনিচুকীয়াত জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনৰ সৈতে আইন-শৃংখলাজনিত বিষয়সমূহ আলোচনা কৰে। জাগুণৰ ঘটনাস্থলী পৰিদৰ্শনৰ পাছত আৰক্ষী সঞ্চালক প্ৰধানগৰাকীয়ে তিনিচুকীয়া আৰক্ষী অতিথিশালাত সেনাবাহিনী আৰু আৰক্ষীৰ সৈতে গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। তিনিচুকীয়া জিলাৰ লগতে উজনি অসমৰ জিলাকেইখনৰ নিৰাপত্তা পৰিস্থিতি সন্দৰ্ভত আয়োজিত এই বৈঠকত জিলাকেইখনৰ সেনাবাহিনী আৰু আৰক্ষীৰ চোৰাংচোৱাসকলৰ লগতে আৰক্ষী মহা পৰিদৰ্শক জিতমল দলে আৰু ডিব্ৰুগড়ত জ্যেষ্ঠ আৰক্ষী বিষয়া অভিজিত গৌৰৱ দিলীপ তথা তিনিচুকীয়াৰ জ্যেষ্ঠ আৰক্ষী বিষয়া মায়ংক কুমাৰ উপস্থিত থাকে।

উল্লেখযোগ্য যে, অসম আৰক্ষীৰ কামাণ্ডো শিবিৰলৈ লক্ষ্য কৰি দুষ্কৃতিকাৰীয়ে গ্ৰেনেড নিক্ষেপ কৰি আৰু গুলীৰে কৰা আক্ৰমণৰ ফলত চাৰিজন জোৱান আহত হৈছিল। অৱশ্যে আটাইকেইজনৰে অৱস্থা সুস্থিৰ। আৰক্ষীয়ে আক্ৰমণৰ প্ৰত্যুত্তৰত গুলী চালনা কৰাৰ ফলত কিছু সময় ধৰি গুলীয়াগুলী চলে। ঘটনাস্থলীত আৰক্ষী আৰু নিৰাপত্তাৰক্ষী উপস্থিত হৈ তদন্ত আৰম্ভ কৰে। সেনাবাহিনীৰ সূত্ৰই প্ৰকাশ কৰা মতে ৰেড শ্বিল্ড চেপাৰ্ছে আছাম ৰাইফলছৰ সহযোগত বোমা নিস্ক্ৰিয় কৰা দল এটা ঘটনাস্থলীলৈ প্ৰেৰণ কৰি দুস্কৃতিকাৰীয়ে সংস্থাপন কৰা গোলাবাৰুদসমূহ নিস্ক্ৰিয় কৰে। নিষিদ্ধ ঘোষিত উগ্ৰপন্থী সংগঠন আলফা স্বাধীন এই আক্ৰমণৰ সৈতে জড়িত থকা বুলি সন্দেহ কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই আক্ৰমণৰ ঘটনাক কঠোৰ ভাষাৰে গৰিহণা দিছে।

০০০০০০০

চোৰাংচোৱাগিৰিৰ অভিযোগত ডিব্ৰুগড় জিলাৰ চাবুৱা বায়ুসেনা বাহিনীৰ চাউনিৰ পৰা আজি সুমিত কুমাৰ নামৰ এজন লোকক গ্ৰেপ্তাৰ কৰা হয়। ধৃত সুমিত কুমাৰে ধনৰ বিনিময়ত ভাৰতৰ প্ৰতিৰক্ষা বিভাগৰ স্পৰ্শকাতৰ তথ্য পাকিস্তানক যোগান ধৰাৰ অভিযোগ উত্থাপন হৈছে। তথ্য অনুসৰি সুমিতে যুদ্ধ বিমান আৰু মিছাইল ব্যৱস্থাৰ অৱস্থানৰ লগতে বায়ুসেনা ঘাটিটোৰ বিষয়া-কৰ্মচাৰীৰ তথ্য পাকিস্তানক যোগান ধৰিছিল। উত্তৰপ্ৰদেশৰ বাসিন্দা সুমিতে ডিব্ৰুগড়ৰ বায়ুসেনা ঘাটিত মাল্টি টাক্সিং ষ্টাফ হিচাপে কৰ্মৰত আছিল। যোৱা জানুৱাৰী মাহত ৰাজস্থানৰ জয়ছালমেৰৰ এজন সন্দেহজনক লোকক গ্ৰেপ্তাৰ কৰাৰ পিছতে সুমিত কুমাৰৰ নাম পোহৰলৈ আহে। গ্ৰেপ্তাৰৰ পাছত সুমিত কুমাৰক জেৰাৰ বাবে জয়পুৰলৈ লৈ যোৱা হয়।

০০০০০০০

নিৰ্বাচনী নীতি-নিৰ্দেশনা অনুসৰি বিভিন্ন জিলাত আৰক্ষী প্ৰশাসন আৰু তদাৰকী দলসমূহে তালাচী অব্যাহত ৰাখিছে। কামৰূপ মহানগৰ জিলাত আজি আবকাৰি বিভাগে জিলাখনত অবৈধ সুৰাৰ বিক্ৰী আৰু মজুতকৰণৰ বিৰুদ্ধে অভিযান চলায়। গুৱাহাটীৰ দাঁতিকাষৰীয়া অঞ্চলৰ কেইবাখনো ঠাইত চলোৱা এই অভিযানত প্ৰায় ৬ হাজাৰ ৫০০ লিটাৰ বিদেশী সুৰা, ২৬০ লিটাৰ চুলাই মদ, সুৰা প্ৰস্তুত কৰা সঁজুলি জব্দ কৰা হয়। এই সামগ্ৰীখিনিৰ বজাৰ মূল্য প্ৰায় ৭ লাখ টকা হ'ব বুলি প্ৰকাশ কৰা হৈছে। আবকাৰি বিভাগে জিলাখনৰ আন্তঃজিলা সীমান্ততো অভিযান অব্যাহত ৰাখিছে।

০০০০০০০

বিধানসভা নিৰ্বাচনলৈ মাজত মাথো ১৬ দিন বাকী থকা অৱস্থাত প্ৰাৰ্থীসকলৰ বিভিন্ন দলত যোগদান তথা পদত্যাগ অব্যাহত আছে। প্ৰাৰ্থীত্বৰ পৰা বঞ্চিত হোৱাৰ পাছতে তিতাবৰৰ বিধায়ক ভাস্কৰজ্যোতি বৰুৱাই কংগ্ৰেছ দল ত্যাগ কৰে।

অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সাধাৰণ সম্পাদিকা পল্লবী শইকীয়াও দলৰ পৰা পদত্যাগ কৰে। উল্লেখযোগ্য যে, পল্লবী শইকীয়া তেজপুৰ সমষ্টিৰ প্ৰাৰ্থীত্বৰ অন্যতম দাবিদাৰ আছিল। কংগ্ৰেছৰ পৰা পদত্যাগ কৰাৰ পাছত তেওঁ নিৰ্দলীয় প্ৰাৰ্থী হিচাপে মনোনয়ন দাখিল কৰে। দলৰ শীৰ্ষ নেতৃত্বৰ প্ৰতি ক্ষোভ প্ৰকাশ কৰি বঢ়মপুৰত কংগ্ৰেছ নেতা ৰঞ্জিত বৰাই দলত্যাগ কৰে।

বিজেপি প্ৰাৰ্থিত্বৰ পৰা বঞ্চিত হোৱা হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ ক্ৰীড়া মন্ত্ৰী নন্দিতা গাৰ্লোছাই যোৱানিশা কংগ্ৰেছত যোগদান কৰে।

অসম গণ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি ড° ৰঞ্জিত ডেকাই কালি দলৰ প্ৰাথমিক সদস্য পদ তথা সকলো দায়িত্বৰ পৰা পদত্যাগ কৰে। পাঠশালাৰ নিজৰ বাসগৃহত এখন সংবাদমেলযোগে ড° ডেকাই এই কথা ঘোষণা কৰে। দলটোৰ কেন্দ্ৰীয় নেতৃত্বৰ কাম-কাজত অসন্তুষ্ট হৈ তেওঁ এই সিদ্ধান্ত লয় বুলি সাংবাদিকৰ আগত প্ৰকাশ কৰে। ইফালে, বিটিচিৰ প্ৰাক্তন কাৰ্যবাহী সদস্য তথা বিজেপিৰ জ্যেষ্ঠ নেতা ৰাজীৱ ব্ৰহ্মাই কালি ভাৰতীয় জনতা পাৰ্টীৰ প্ৰাথমিক সদস্যপদৰ লগতে ৰাজ্যিক কাৰ্যবাহী সদস্যৰ পৰা পদত্যাগ কৰে।

০০০০০০০

শ্বহীদ দিৱস উপলক্ষে আজি সমগ্ৰ দেশবাসীয়ে মহান স্বাধীনতা সংগ্ৰামী ভগত সিং, ৰাজগুৰু আৰু সুখদেৱৰ প্ৰতি গভীৰ শ্ৰদ্ধা নিবেদন কৰিছে। ব্ৰিটিছ শাসনৰ বিৰুদ্ধে পৰম বীৰত্বৰে যুঁজ দিয়া এই স্বাধীনতা সংগ্ৰামীকেইজনক এগৰাকী ব্ৰিটিছ আৰক্ষী বিষয়াক হত্যা কৰাৰ অপৰাধত ১৯৩১ চনৰ এই দিনটোতে ফাঁচী দিয়া হৈছিল। লোকসভা আৰু ৰাজ্যসভাই আজি মহান স্বাধীনতা যুঁজাৰু তথা বিপ্লৱী কেইগৰাকীলৈ শ্বহীদ দিৱস উপলক্ষে শ্ৰদ্ধা জনাইছে। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই কয় যে অতি কম বয়সতে এই সাহসী যুৱককেইজনে দেশৰ স্বাধীনতাৰ বাবে যুঁজ দি পৰম ত্যাগ কৰিছিল। শ্ৰীবিৰলাই কয় যে তেওঁলোকৰ সাহস, বীৰত্ব আৰু অতুলনীয় দেশপ্ৰেমে এখন মুক্ত আৰু শক্তিশালী ভাৰতৰ ভেটি গঢ়ি থৈ গৈছে। ৰাজ্যসভাৰ সভাপতি চি পি ৰাধাকৃষ্ণণে কয় যে তেওঁলোকৰ এই ত্যাগ কেৱল দেশৰ স্বাধীনতা আন্দোলনৰ ইতিহাসৰ এটা পৃষ্ঠাই নহয়, বৰঞ্চ এয়া হৈছে ঔপনিবেশিক শাসনৰ বিৰুদ্ধে কোটি কোটি ভাৰতীয়ক ঐক্যবদ্ধভাৱে জগাই তোলাৰ এটা নিৰ্ণায়ক মুহূৰ্ত।

০০০০০০০

মাজুলীৰ আঁহতগুৰিৰ শিকলিচাপৰিত মণিকাঞ্চন মিলন ক্ষেত্ৰৰ তৃতীয় প্ৰতিষ্ঠা দিৱস উপলক্ষে তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত আঁহতগুৰি উৎসৱৰ কাইলৈ সামৰণি পৰিব। আঁহতগুৰি উৎসৱৰ সামৰণিৰ দিনা শ্ৰী শ্ৰীকৃষ্ণৰ ৰাসলীলা প্ৰদৰ্শন কৰা হ'ব। আজি আয়োজিত মুকলি সভাত আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ ড০ পিতাম্বৰ দেৱগোস্বামীক এই বৰ্ষৰ মণিকাঞ্চন সংযোগ বঁটা প্ৰদান কৰা হয়।

০০০০০০০

হাজো সমষ্টিৰ প্ৰাক্তন বিধায়ক তথা বিশিষ্ট আইনজীৱি হৰেন দাসৰ আজি দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৫ বছৰ। কাইলৈ নৱগ্ৰহ শ্মশানত তেওঁৰ শেষকৃত্য সম্পন্ন কৰা হ'ব বুলি পৰিয়ালবৰ্গই জানিবলৈ দিছে।

০০০০০০০

**সমাপ্ত**